# যোৰহাট মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ উপলক্ষে অনুষ্ঠান

## দীপালী নেওগ সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা প্ৰদান

**যোৰহাটঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জুনঃ** যোৰহাট মহাবিদ্যালয়ৰ (একত্ৰিত) ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি আজি মহাবিদ্যালয়খনত এক বিশেষ বৰ্ণাঢ্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়। 'ড° ভূপেন হাজৰিকাৰ গীতত বিশ্বজনীন চেতনা' শীৰ্ষক বিষয়বস্তুক কেন্দ্ৰ কৰি আয়োজিত হয় বক্তৃতা আৰু সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানটোৰ পৰিচালনাত আছিল অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা বীথিকা দাস। পুৱা ১১ বজাৰ পৰা ছেমিনাৰ হলত আৰম্ভ হোৱা অনুষ্ঠানটোৰ প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীসকলে মহাবিদ্যালয় সংগীত পৰিৱেশন কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। আদৰণী ভাষণ আগবঢ়ায় অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল 'দীপালী নেওগ সোঁৱৰণী বঁটা' প্ৰদান কাৰ্যসূচী। শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা যুতিমালি শইকীয়াৰ মাতৃৰ সোঁৱৰণত আগবঢ়োৱা এই বঁটা সমাজতত্ত্ব বিভাগৰ পৰা উত্তীৰ্ণ হোৱা ২০২৫ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক ৰাখী কে পি ভৰালীক প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পৱিত্ৰপ্ৰাণ গোস্বামীয়ে। অনুষ্ঠানৰ মুখ্য আকৰ্ষণ ভূপেন্দ্ৰ সংগীতৰ বিশিষ্ট সাধক নয়ন অসম কলিয়াবৰীয়াই অসমৰ লোক সংগীতৰ সুদীৰ্ঘ ইতিহাসৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে। লগতে, ভূপেন হাজৰিকাৰ গীতৰ মাজত নিহিত হৈ থকা দৰ্শন আৰু বিশ্বজনীন মানৱতাবাদৰ বাৰ্তাক বৰ্ণনা কৰে। তেওঁ ভূপেন্দ্ৰ সংগীতৰ গভীৰতা আৰু ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য দাঙি ধৰে। তেওঁ কেইবাটিও ভূপেন্দ্ৰ সংগীত আৰু অসমৰ পৰম্পৰাগত লোকসংগীত পৰিৱেশন কৰে। তেওঁৰ লগত তবলা সংগত কৰে যোৰহাটৰ বিশিষ্ট তবলা বাদক অমৰজ্যোতি শৰ্মাই। সৰ্বশেষত শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ মুৰব্বী পংকজপাণি শইকীয়াই।